জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১৪/২০২২**

# আলোকৰ উৎসৱ দীপাৱলী উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ২৩ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালী পূজা আৰু আলোকৰ উৎসৱ দীপাৱলী উপলক্ষে অসমবাসীৰ লগতে ৰাজ্যৰ বাহিৰত বসবাস কৰা সকলোলৈকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সনাতন আধ্যাত্মিক জীৱনবোধত পোহৰৰ উৎসৱ দীপাৱলী হৈছে এন্ধাৰ নাশ কৰি আলোকৰ জয় যাত্ৰাৰ এক পৱিত্ৰ উৎসৱ। এই উৎসৱে আমাক সকলোকে এখন সুন্দৰ সমাজ নিৰ্মাণৰ দিশত আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। মুখ্যমন্ত্ৰীয়ে এই উৎসৱৰ সময়ত প্ৰাকৃতিক পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। এই উৎসৱ উদ্‌যাপনৰ জৰিয়তে আমাৰ মাজত ভাতৃত্ববোধ আৰু বন্ধুত্বপূৰ্ণ বান্ধোন অধিক শক্তিশালী কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে দীপাৱলীৰ এই শুভক্ষণত অপশক্তিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈ অধিক স্পন্দনশীল আৰু গতিশীল কৰি তোলাৰ সংকল্প ল'বলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কালী পূজা আৰু দীপাৱলী উদ্‌যাপনৰ জৰিয়তে সকলোৰে জীৱন আলোকময় হৈ উঠিব বুলিও আশা প্ৰকাশ কৰে।

**পুঃডেঃ**
**২৩/১০/২০২২**